# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

———————————————————

০০০০০

১।	অসমৰ সংগীত জগতত বিশাল শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে আজিৰেপৰা তিনিদিনীয়া ৰাজ্যিক শোক।

২।	শিল্পীগৰাকীৰ মৃত্যুৰ চি আই ডি তদন্ত ঘোষণা।

৩।	অসমবাসীৰ প্ৰাণৰ আপোন শিল্পীৰ জুবিন গাৰ্গৰ বিয়োগৰ দ্বিতীয় দিনাও সমগ্ৰ ৰাজ্য শোকস্তব্ধ।

৪।	বি টি চি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি।

আৰু

৫।	এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত আজি শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি।

০০০০

সমগ্ৰ অসমজুৰি হাঁহাকাৰ আৰু শূন্যতা। জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অভাৱনীয় আৰু আকস্মিক বিয়োগৰ যন্ত্ৰণাত ৰাজ্যত যেন চকুলোৰ নৈ বৈছে। চৌদিশে কেৱল হুমুনিয়াহ আৰু বিষাদ।

চকুলোৰে মালা গঁথা (গান)

অসমৰ সংগীত জগতত বিশাল শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে আজিৰেপৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক অনুষ্ঠান, আনুষ্ঠানিক কাৰ্যসূচী আৰু ৰাজহুৱা উৎসৱ স্থগিত থাকিব।

শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটীলৈ অনাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি সন্ধিয়া প্ৰায় ৬ বজাত নতুন দিল্লীলৈ ৰাওনা হয়। মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও নতুন দিল্লীলৈ গৈছে। ছিংগাপুৰৰ পৰা শিল্পীগৰাকীৰ নশ্বৰ দেহ কঢ়িয়াই অনা বিমানখন ইতিমধ্যে ৰাওনা হৈছে আৰু আজি নিশা প্ৰায় ১২ বজাত নতুন দিল্লী বিমান বন্দৰত বিমানখনে অৱতৰণ কৰিব। ইয়াৰ পাছতে শিল্পীগৰাকীৰ অসম অভিমুখে অন্তিম যাত্ৰা আৰম্ভ হ'ব।

গান (মুক্তি)

আজি নতুন দিল্লীলৈ যাত্ৰাৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান, মহানগৰ আৰক্ষী আয়ুক্ত আৰু গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰ কৰ্তৃপক্ষৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। যাত্ৰাৰ ঠিক আগেয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয় –

বাইট

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৱঙৰ সৈতে কথা পাতিছে। উচ্চায়ুক্তগৰাকীয়ে এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে বুলি তেওঁ প্ৰকাশ কৰে। মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই আজি শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ সকলো দিশ তদাৰক কৰি আজি নিশা ৯ বজাৰ পাছত কোনো অনুৰাগীক জুবিনৰ বাসগৃহলৈ নাযাবলৈ আহ্বান জনাইছে।

বাইট (পাৰ্থসাৰথি)

আজি গুৱাহাটীলৈ অনাৰ পাছত শিল্পীগৰাকীৰ নশ্বৰ দেহ  তেওঁৰ বাসগৃহলৈ নিয়া হ'ব। পৰিয়ালৰ সদস্যৰ সৈতে কিছু সময় কটোৱাৰ পাছত সৰুসজাইত শিল্পীগৰাকীক অনুৰাগীৰ দৰ্শনৰ বাবে  ৰখাৰ ব্যৱস্থা কৰা হ'ব। জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ ৰাখিবলগীয়া ষ্টেডিয়ামখনৰ সামগ্ৰিক ব্যৱস্থাপনা আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও মন্ত্ৰীয়ে পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চি আই ডিক অৰ্পণ কৰিছে। এই ঘটনা সন্দৰ্ভত কেইবাখনো থানাত ৰুজু হোৱা গোচৰ তদন্তৰ বাবে চি আই ডিক অৰ্পণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা তদন্তৰ আওতালৈ আহিব বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, যে নশ্বৰদেহ অসমলৈ অনাৰ পাছতহে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰা হ'ব। অৱশ্যে বিভিন্ন পক্ষৰ সৈতে আলোচনামৰ্মে যোৰহাটত এই কাম সম্পন্ন কৰা হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে ইংগিত দিয়ে।

জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে কাইলৈ আৰু পৰহিলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আয়োগে প্ৰকাশ কৰা মতে, কাইলৈ হ'বলগীয়া মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষা স্থগিত ৰখা হৈছে। একেদৰে, পৰহিলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষাৰ দিন পৰৱৰ্তী পৰ্য্যায়ত ঘোষণা কৰা হ'ব। শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচী স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।  তেওঁ লগতে কাইলৈ হ'বলগীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক মূল্যয়ন পৰীক্ষা এফ এল এন এ টি স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। ৪ লাখ ৭০ হাজাৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীয়ে অংশ ল'বলগীয়া এই মূল্যায়ন পৰীক্ষা অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

ৰাজ্যৰ বিদ্যালয়সমূহত আজিৰে পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষাও পিছুৱাই দিয়া হয়। শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া নোহোৱা পৰ্যন্ত পৰীক্ষা পিছুৱাই দিবলৈ বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দেশ দিয়া হৈছে।

ooooo

জনতাৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গৰ অকাল দেহাৱসানত সমগ্ৰ ৰাজ্য শোকস্তব্ধ হৈ পৰিছে। কালি এই পীড়াদায়ক বাতৰি পোৱাৰ পাছৰে পৰা অগণন লোক স্বতঃস্ফূৰ্তভাৱে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পথসমূহত সমবেত হয়। ম্ৰিয়মান জনতাই শিল্পীগৰাকীৰ কালজয়ী গীতসমূহ কণ্ঠত আওঁৰাই তেওঁৰ প্ৰতি আজিও ৰাজ্যৰ প্ৰান্তে প্ৰান্তে শ্ৰদ্ধা নিবেদিছে। শিশুৰ পৰা বৃদ্ধলৈ প্ৰতিগৰাকী অনুৰাগী শোকাহত আৰু স্তম্ভিত।

**ঃ গান ঃ**

গুৱাহাটী মহানগৰীৰ প্ৰতিটো প্ৰান্তত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হৈছে। গণেশগুৰিৰ উৰণ সেঁতুৰ তলত, লতাশিল, চানমাৰিকে ধৰি প্ৰতিটো ৰাজহুৱা স্থানৰ উপৰি কাৰ্যালয় আৰু ব্যক্তিগতভাৱেও সকলোৱে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধা জনাইছে। কালি ওৰে নিশা জুবিন গাৰ্গৰ কাহিলীপাৰাৰ বাসগৃহ চৌহদত অগণন গুণমুগ্ধই ভিৰ কৰে। ৰাজ্যৰ প্ৰতিখন জিলাত আজি বিভিন্ন দল-সংগঠন, শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে শিল্পীগৰাকীৰ প্ৰতি সন্মানাৰ্থে সমদলৰ আয়োজন কৰে। মহানগৰীকে ধৰি ৰাজ্যৰ প্ৰতিখন জিলাত আজি অঘোষিত বন্ধসদৃশ পৰিবেশৰ সৃষ্টি হয়। অসামান্য প্ৰতিভাৰ অধিকাৰী, দৰদী শিল্পীগৰাকীৰ বিয়োগত কাতৰ হৈ পৰা জনসাধাৰণে স্বতঃস্ফূৰ্তভাৱে নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠান, দোকান-পোহাৰ আদি বন্ধ কৰি ৰাজপথলৈ ওলাই আহি শিল্পীগৰাকীৰ সোঁৱৰণী যাত্ৰাৰ অংশীদাৰ হৈ পৰে। বিভিন্ন জিলাৰ প্ৰশাসনসমূহৰ উদ্যোগতো আজি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য তৰ্পন

কৰা হয়। যোৰহাট, হোজাই, ডিব্ৰুগড়, তিনিচুকীয়া, নগাঁৱৰ লগতে প্ৰায় আটাইবোৰ জিলা প্ৰশাসনে আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জ্যোতি বাটচৰাত সমবেত হৈ শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। জিলাখনৰ বিভিন্ন অঞ্চলত সমদল উলিয়াই তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। যোৰহাট জিলা কেন্দ্ৰীয় পূজা সমন্বয়ৰক্ষী সমিতিয়ে শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই কাইলৈ হ'বলগীয়া মহালয়াৰ অনুষ্ঠান তথা শোভাযাত্ৰা বাতিল কৰিছে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ বিভিন্ন স্থানতো শিল্পীগৰাকীৰ প্ৰতি ৰাইজে শ্ৰদ্ধা নিবেদন কৰে। ঐতিহাসিক নতুন চামগুৰি সত্ৰৰ সংগীত কলাকেন্দ্ৰত আজি এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই কালিৰে পৰা সত্ৰখনত মুখাশিল্প নিৰ্মাণৰ কাম স্থগিত ৰাখিছে। শিল্পীগৰাকীৰ শেষকৃত্য সম্পন্ন নকৰালৈকে মুখা নিৰ্মাণৰ কাম বন্ধ ৰাখিব বুলি সত্ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

ৰাজ্যৰ লগতে দেশৰ বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ শীৰ্ষ নেতাসকলেও শিল্পীগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধা জ্ঞাপন কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে এই বিষয়ে এইদৰে মন্তব্য কৰে -

**বাইট (গৌৰৱ গগৈ)**

শিল্পীগৰাকীৰ বিয়োগত এ আই ইউ ডি এফ দলে গভীৰ শোক প্ৰকাশ কৰিছে। দেশৰ কেইবাগৰাকীও যশস্বী শিল্পীয়ে জুবিন গাৰ্গৰ বিয়োগত মৰ্মাহত বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। বিশ্বপ্ৰসিদ্ধ সংগীত পৰিচালক এ আৰ ৰহমান, জনপ্ৰিয় কণ্ঠশিল্পী ছান, আৰমান মালিক, অৰিজিত সিং আৰু অনুপ জলোটাকে ধৰি অসংখ্যজনে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে।

আকাশবাণী গুৱাহাটীৰ চৌহদতো প্ৰাণৰ শিল্পীগৰাকীক গীতে-মাতে সোঁৱৰণ কৰা হয়।

ooooo

জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতৰ বিষয় সলনি কৰা হৈছে। অনুষ্ঠানত আজি জুবিন গাৰ্গৰ জনপ্ৰিয়তা আৰু তেওঁৰ দেহাৱসানে আনি দিয়া শূন্যতা সম্পৰ্কে আলোচনা কৰা হ'ব। অনুষ্ঠানত চিন্ময়ী গোস্বামী আৰু ভাস্কৰ জ্যোতি আচাৰ্য্যই অংশগ্ৰহণ কৰিব। ইয়াত আমাৰ সংবাদদাতাসকলেও যোগ দিব। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। পূৰ্বতে বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আজিৰ দৃষ্টিপাতত আলোচনা কৰাৰ কথা আছিল।

ooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত আজি প্ৰচাৰ অভিযান স্তব্ধ হৈ পৰে। শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই সকলো ৰাজনৈতিক দল প্ৰচাৰ অভিযানৰ পৰা বিৰত থাকে। ২২ ছেপ্তেম্বৰত বি টি চিৰ ৪০টা পৰিষদীয় সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে। সাক্ষাৎ কালত ৰাজ্যপালগৰাকীয়ে শ্ৰীৰাধাকৃষ্ণণক ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন কল্যাণমূলক উদ্যমৰ বিষয়ে অৱগত কৰে।

ooooo

গুৱাহাটী মহানগৰীৰ চানমাৰিত আজি পানীৰ পাইপ ফুটি প্ৰায় ১০০ ফুট উচ্চতালৈ পানী ফোঁৰাৰ দৰে উঠি যোৱাৰ ফলত বহু সময় ধৰি অঞ্চলটোৰ জনজীৱন স্তব্ধ হৈ পৰে। ইয়াৰ ফলত অঞ্চলটোৰে যান-বাহনৰ চলাচল আৰু যাতায়াত বন্ধ হৈ পৰে। অৱশ্যে কিছু সময়ৰ পাছত প্ৰশাসনৰ লোক আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হয়।

ooooo

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি গৰৈমাৰী ৰাজহ চক্ৰৰ পূৰ্বৰ চক্ৰ বিষয়া নূপুৰ বৰাৰ বৰপেটা ৰোডৰ এটা বেংকৰ লকাৰৰ পৰা পুনৰ ৩১ লাখ ১০ হাজাৰৰো অধিক টকা জব্দ কৰে। ইয়াকে লৈ তদাৰকী কোষে নূপুৰ বৰাৰ

পৰা মুঠ ১ কোটি ৪৭ লাখৰো অধিক টকা উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ পূৰ্বে যোৱা ১৫ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে নুপূৰ বৰাৰ পৰা প্ৰায় ৯২ লাখ ৪৯ হাজাৰ টকা আৰু ১৭ ছেপ্তেম্বৰত ২০ লাখ ৭৫ হাজাৰ টকা উদ্ধাৰ কৰিছিল। উল্লেখযোগ্য যে সম্প্ৰতি তিনি দিনৰ বাবে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ জিম্মাত আছে। কালি নূপুৰ বৰাক ৰাজ্য চৰকাৰে চাকৰিৰ পৰা নিলম্বন কৰিছিল।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী তিনিদিনত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। মধ্য আৰু দক্ষিণ উপদ্বীপ অঞ্চলতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

ooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ-ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ অন্তিমখন খেলত ভাৰতে ওমানক ২১ ৰানত পৰাজিত কৰে। ওমানে ১৮৯ ৰানৰ বিজয় লক্ষ্যৰে খেলা আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৬৭ ৰান কৰে। ভাৰতে ইতিমধ্যে ছুপাৰ-ফ'ৰ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অহা দেওবাৰে ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত